# যুগমীয়া শৰাইঘাট

-ডঃ সূৰ্য কুমাৰ ভূঞা

**১। পাঠটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়াৰ অভ্যাস কৰিবা ।**

উত্তৰঃ নিজেই চেষ্টা কৰা ।

**প্ৰশ্ন ২। উত্তৰ দিয়া ।**

**( ক ) অতীতৰ শৰাইঘাটৰ সমস্যাবা◌েৰ কি আছিল ?**

উত্তৰঃ অতীতৰ শৰাইঘাটৰ সমস্যাবা◌েৰ সামৰিক আছিল ।

**( খ ) বৰ্তমান শৰাইঘাটৰ সমস্যাবা◌েৰ কি ?**

উত্তৰঃ বৰ্তমান শৰাইঘাটৰ সমস্যাবা◌েৰ হ'ল সামাজিক , অৰ্থনৈতিক , ৰাজনৈতিক । আৰু ঐতিহাসিক ।

**( গ ) ৰাম সিংহ কোন আছিল ?**

উত্তৰঃ ৰামসিংহ ৰাজপুত ৰজা আৰু মা◌েগল সম্ৰাট ঔৰংজেৱৰ সেনাপতি আছিল ।

**( ঘ ) ৰাম সিংহ অসমলৈ কিয় আহিছিল ?**

উত্তৰঃ ৰাম সিংহ অসমলৈ অসম আক্ৰমণ কৰি অসমক মা◌েগল সম্ৰাটৰ অধীন কৰিবলৈ আহিছিল।

**( ঙ ) শৰাইঘাটৰ ৰণ কাৰ কাৰ মাজত হৈছিল ?**

উত্তৰঃ শৰাইঘাটৰ ৰণ অসমীয়া সেনা আৰু মা◌েগল সেনাৰ মাজত হৈছিল ।

**( চ ) লাচিতৰ অধীনত কিমান সৈন্য আছিল ?**

উত্তৰঃ লাচিতৰ অধীনত এক লক্ষ সৈন্য আছিল ।

**( ছ ) মাাে গলে নাৱেৰে সৈতে ধৰি ৰখা শৰাইঘটীয়া সেনাপতিজনৰ নাম কি ?**

উত্তৰঃ মাাে গলে নাৱেৰে সৈতে ধৰি ৰখা শৰাইঘটীয়া সেনাপতিজনৰ নাম আছিল  কোৱামৃদ্ধ হাজৰিকা ।

**( জ ) মাাে গলৰ সেনাপতিক চৰাই খাাে জাৰ দায়ত লাচিত বৰফুকনে কাক লাাে ৱা লগাই থৈছিল ?**

উত্তৰঃ মাাে গলৰ সেনাপতিক চৰাই খাাে জাৰ দায়ত লাচিত বৰফুকনে ৰামচৰণ কটকীক লাাে ৱা লগাই থৈছিল ।

**(ঝ ) ৰাম সিংহই বীৰ লাচিতক আফুগুটিৰ সহায়ত কি বুজাবলৈ গৈছিল ?**

উত্তৰঃ ৰাম সিংহই বীৰ লাচিতলৈ কটকীৰ জৰিয়তে পঠোৱা আফুগুটিৰ টোপাাে লাৰ  জৰিয়তে ইয়াকে বুজাবলৈ গৈছিল যে টোপাাে লাত আফুগুটি যিমান আছে ৰামসিংহৰ  সৈন্য সংখ্যাও সিমান ।

**( ঞ ) লাচিতে অসমীয়া সৈন্যবল বুজাবৰ উদ্দেশ্যে ৰামসিংহলৈ কি পঠিয়াইছিল ?**

উত্তৰঃ লাচিতে অসমীয়া সৈন্যবল বুজোৱাৰ উদ্দেশ্যে ৰাম সিংহলৈ এচুঙা বালি পঠিয়াইছিল ।

**প্ৰশ্ন ৩। পাঠটোত থকা কঠিন শব্দবাাে ৰৰ অৰ্থ লিখা ।**

উত্তৰঃ সংঘবদ্ধ – একগাাে ট ।

সামৰিক – ৰণ বা সমৰ সম্পৰ্কীয় ।

সামাজিক – সমাজ সম্পৰ্কীয় ।

অৰ্থনৈতিক – অৰ্থনীতি সম্পৰ্কীয় ।

ৰাজনৈতিক – ৰাজনীতি সম্পৰ্কীয় ।

ঐতিহাসিক – ইতিহাস সম্পৰ্কীয় ।

অন্ত – শেষ

দুর্যোগ – বিপদ , বিঘিনি ।

প্রবৃত্তি – ইচ্ছা , বাসনা ।

চিৰন্তন – চিৰস্থায়ী , যুগমীয়া ।

মনােবৃত্তি – চিন্তাধাৰা , বিচাৰ ।

দেশপ্রেম – দেশক ভাল পাােৱা ।

এনয় – এনেকুৱা ।

মৃত্যুপন – মৰিম বুলি কৰা প্রতিজ্ঞা ।

আমূলে – মূল বা শিপাসহ ।

আত্মকন্দল – নিজৰ ভিতৰতে লগা হাই-কাজিয়া ।

উৎপাটন – উঘালি অনা ।

আহিলা – পাতি – জা – যাােগাৰ , সা – সৰঞ্জাম ।

আহাােপুৰুষাৰ্থ – চেষ্টা ।

প্রলোভন – লাােভ জন্মাােৱা কাৰ্য ।

লাােৱা লগাই – শিকলিৰে বান্ধি ।

সাউৎকৰে – তৎক্ষণাত ।

তুৰন্তে – সাােনকালে,তৎক্ষণাত ।

টিপ – ইংগিত , সংকেত ।

মচগুল – মতলীয়া ।

অতুলনীয়া – তুলনা কৰিব নাোৰা ।

নিৰূপণ – ঠিক

**প্ৰশ্ন ৪। পাঠত থকাৰ দৰে সংলাপবাোৰ লিখা**

**( ক ) কথাৰ যুদ্ধৰে বলে নাোৱাৰি ৰাম সিংহই ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটীৰ গড় ল'বলৈ চেষ্টা কৰা সময়ত জ্বৰৰ গাৰে লাচিত বৰফুকনে ৰণুৱাসকলক কি কৈছিল ?**

উত্তৰঃ জ্বৰৰ গাৰে লাচিত বৰফুকনে ৰণুৱাসকলক এনেদৰে কৈছিল— " অসমীয়া ৰণুৱাসকল , মই যুঁজিহে মৰিম । চিলা পৰ্বতৰ ওপৰত এচপৰা মাটি কিনি থৈছোঁ , তাতে শটো থ'বা । নাইবা মাোক বঙালে ধৰি লৈ যাওক , তাোমালাোক সুখেৰে ঘৰলৈ উভতি যাোৱা । "

**( খ ) অসম এৰি যাোৱা সময়ত ৰাম সিংহই অসমক প্ৰশংসা কৰি কি কৈছিল ?**

উত্তৰঃ অসম এৰি যাোৱা সময়ত ৰাম সিংহই অসমক প্ৰশংসা কৰি এনেদৰে কৈ গৈছিল— " ধন্য ৰজা , ধন্য মন্ত্ৰী , ধন্য সেনাপতি , ধন্য সেনা । অকল এজন মানুহে সকলাো সৈন্য চলায় , ই কি আচৰিত । মই হেন ৰামসিংহ নিজে যুদ্ধৰ সেনাপতি হৈও একোতে সুবিধা নাপাওঁ । "

**( গ ) কোনাোবাই যুদ্ধৰ কামত মন এৰি ইফাল – সিফাল কৰে বুলি বীৰ লাচিত বৰফুকনে কামাখ্যা গাোসাঁনীলৈ সেৱা কৰি কি ঘাোষণা কৰিছিল ?**

উত্তৰঃ বীৰ লাচিত বৰফুকনে কামাখ্যা গাোসাঁনীলৈ সেৱা কৰি এনেদৰে ঘাোষণা কৰিছিল— " যুদ্ধৰ কামত পাছ হুহঁকিলে মই এই হেংদাঙেৰে দুডাোখৰ কৰি কাটিম , পাছতহে স্বৰ্গদেৱক জনাম । "

**( ঘ ) বৰ অই-কুঁৱৰীয়ে কাপাোৰৰ আঁৰৰ পৰা স্বৰ্গদেৱক কি উপদেশ দিছিল ?**

উত্তৰঃ;বৰ আই কুঁৱৰীয়ে কাপাোৰৰ আঁৰৰ পৰা স্বৰ্গদেৱক এনেদৰে উপদেশ দিছিল— " বৰফুকনৰ কথা মানি চলিলেহে যুদ্ধত জয়লাভ হ'ব । ফুকনৰ কথা নৰজিলে আমাৰ পৰাজয় হাোৱাটো নিশ্চয় । "

**প্ৰশ্ন ৫। বহলাই লিখা—**

**( ক ) যুদ্ধত জয়ী হ’বলৈ যুদ্ধৰ আহিলাৰ বাহিৰে আৰু কিহৰ প্ৰয়াোজন আছে লিখা ।**

উত্তরঃ যুদ্ধত জয়ী হ’বলৈ যুদ্ধৰ আহিলা – পাতিৰ বাহিৰেও বেছিকৈ প্ৰয়াোজন সৈনিকবৃন্দ আৰু সমগ্ৰ জাতিৰ স্বাৰ্থহীন মনাোবৃত্তি , কৰ্ম নিষ্ঠতা আৰু যুদ্ধ জয়ৰ কাৰণে উত্ৰাৱল অথচ নিশ্চিত অভিলাষ ।

যুদ্ধত স্বাৰ্থ ৰাখি কাম কৰিলে , কৰ্মৰ প্ৰতি একাগ্ৰতা নাথাকিলে আৰু যুদ্ধ জয়ৰ প্ৰতি তীব্ৰ হেঁপাহ নাথাকিলে সৈনিকবৃন্দ আৰু সমগ্ৰ জাতিৰ মনাোবল তথা সাহসেই নাইকিয়া হৈ যাব আৰু যুদ্ধ জয় কৰিব নাোৱাৰিব ।

**( খ ) সেনাপতি কোৱমৃদ্ধা হাজৰিকাই কি কৌশলেৰে মাোগল সৈন্যৰ মাজৰ পৰা সাৰি আহিবলৈ সক্ষম হৈছিল বৰ্ণনা কৰা ।**

উত্তৰঃ মাোগল সৈন্যই শৰাইঘটীয়া সেনাপতি কোৰামৃদ্ধা হাজৰিকাক নাৱেৰে ধৰি আনন্দত মতলীয়া হৈ তেওঁক নাচিবলৈ ক’লে । চাৰিওফালে মাোগলৰ নাও , মাজতে কোৰামৃদ্ধাৰ নাও । হাজৰিকাই ক’লে – ‘ মই নাচিম । ঢাোল – মৃদংগ – খঞ্জৰী নাই , – তাোমালাোকে চাপৰি মাৰা ।’ নাৱৰ বৈঠাৰ পৰা হাত এৰি মাোগল সৈন্যই চাপৰি মাৰিবলৈ  ধৰিলে ।

কোৰামৃদ্ধই নিজৰ নাওবৈচাক টিপ দিলে নাৱৰ মূৰ অসমীয়া নাৱৰ পিনে টোৱাবলৈ । নাচোনৰ ছেও দেখি বঙালৰ সৈন্য মচগুল হ’ল । এই ছেগতে কোৰাৰ নাওখন সাউৎকৰে আঁতৰি গ’ল । মাোগলে বৈঠা মাৰি নাও ভিৰাই তেওঁক খেদিবলৈ যাো – জা কৰোঁতেই অসমীয়া সেনা নিজৰ ঠাই পালেহি ।

এনে কৌশলেৰে কোৰামৃদ্ধ হাজৰিকা মাোগল সৈন্যৰ মাজৰ পৰা সাৰি আহিবলৈ সক্ষম হৈছিল ।

**( গ ) শৰাইঘাটৰ ৰণত অসমৰ বিজয়ৰ মূলতে থকা কথাবাোৰ লিখা ।**

উত্তৰঃ শৰাইঘাটৰ ৰণত অসমৰ বিজয়ৰ মূলতে থকা কথাবাোৰ হ’ল— সুচিন্তিত আঁচনি , বিচক্ষণ সংগঠন , শৃংখলামূলক আয়াোজন , সুদৃঢ় নিয়মানুবৰ্তিতা , বিপদত ধৈৰ্য , সংকটত নিৰ্ভীকতা , আমূলে দুৰ্নীতি দমন , দেশৰ মংগলৰ কাৰ্যত সম্পূৰ্ণ আত্মবিলাোপ

আৰু স্বাৰ্থ ত্যাগ , আৰু আত্মকন্দলৰূপী বিষবৃক্ষৰ গুৰিয়ে শিপায়ে ঠালে – ঠেঙুলিয়ে উৎপাটন ।

**প্ৰশ্ন ৬। প্ৰসংগ সংগতি দৰ্শাই বুজাই লিখা ।**

**( ক ) অগ্নি , সৰ্প আৰু প্ৰলাে‌ভন , —এই তিনি একে ধৰণেৰে বিষাক্ত ।**

উত্তৰঃ এই বাক্যটি বুৰঞ্জীবিদ ড ° সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াৰ ‘ যুগমীয়া শৰাইঘাট . নামৰ পাঠটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

অসমীয়া কটকী ৰামচৰণ মাে‌গল সেনাপতি , ফন্দিয়ক ৰামসিংহৰ প্ৰলাে‌ভনত পৰা প্ৰসংগত কথাষাৰ কোৱা হৈছিল ।

ফন্দিয়ক ৰামসিংহই অসমীয়া কটকী ৰামচৰণ আৰু নিমক লগ পাই প্ৰলাে‌ভিত কৰাৰ বাবে ৰাজপুতনাৰ পিনৰ কাঠৰ চৰাইৰ নাচ দেখুৱাইছিল । কাঠৰ চবাইৰ’সেই নাচ দেখি প্ৰলাে‌ভিত হৈ ৰামচৰণে ৰামসিংহৰ পৰা এটা চৰাই বিচাৰিছিল । চতুৰ ৰামসিংহই ৰামচৰণক দুটা কাঠৰ চৰাই দি পঠাইছিল ।

বীৰ সেনাপতি লাচিত বৰফুকনে এই কথা গম পাই কটকী , ৰাচৰপৰ প্ৰতি অসন্তুষ্ট আৰু ক্ৰোধান্বিত হৈ পৰিলি । কিয়নাে‌ বৰফুকনে জানিছিল যে অগ্নি,সৰ্প আৰু প্ৰলাে‌ভন এই তিনিওটাই সমানে বিষাক্ত আৰু ধ্বংসকাৰী। কটকী ৰামচৰণ ৰামসিংহৰ প্ৰলাে‌ভনত পৰা মানেই অসমীয়া সেনাবাহিনীয়ে বিষময় ফল ভোগ কৰা হ’ব ।

কটকী ৰামচৰণৰ যোগে মাে‌গল সেনাই অসমীয়া সেনাবাহিনীৰ গোপন তথ্যৰ সম্ভেদ পাব । সেইবাবে প্ৰলাে‌ভনৰ উপক্ৰম দেখি , বিষাক্ত প্ৰলোভন পুলিয়ে – পোখাই নিৰ্মল কৰাৰ বাৰে সেনাপতি লাচিত বৰফুকনে কটকী ৰামচৰপক লাে‌ৰা লগাই থৈ শাস্তি দিছিল । সেনাপতি বৰফুকনৰ এই কাৰ্যই অসমীয়া সেনাবাহিনীক সম্বাৱ্য অঘটনৰ পৰা ৰক্ষা কৰিছিল ।

**( খ ) ‘বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোঁটা – দহোটা মানুহক শিঙিয়ে বিন্ধে ।’**

উত্তৰঃ বুৰঞ্জীবিদ ড°সূৰ্যকুমাৰ ‘ ভূঞাদেৱৰ ‘যুগমীয়া শৰাইঘাট ’ নানৰ পাঠৰ পৰা এই বাক্যটি লাে‌ৱা হৈছে ।

অসমৰ বীৰ সেনাপতি লাচিত বৰফুকনে আলাৱৈৰ যুদ্ধত মৃত্যু ঘটা দহ হাজাৰ সৈন্যৰ প্ৰতিজনেই একো একোটা হাতীৰ দৰে আছিল বুলি সেই বিষাদ বাতৰি স্বৰ্গদেৱক জনাব বিচাৰিছিল । তেতিয়া ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াই বৰফুকনক বাধা দি যুক্তি প্ৰদৰ্শনসূচক এই কথাষাৰ কৈছিল ।

গভীৰভাৱে বিবেচনা নকৰাকৈয়ে আহা◌েম স্বৰ্গদেউ চক্ৰধ্বজ সিংহই ৰণ কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰিণতিত আলাবৈৰ ৰণত একে দিনাই দহ হাজাৰ অসমীয়া সৈন্য নিপাত হৈছিল । এনে ঘটনাত সেনাপতি লাচিত বৰফুকনে খেদ প্ৰকাশ কৰি কৈছিল তেওঁৰ একোজন সৈন্য একোটা হাতীৰ দৰেই শক্তিশালী আছিল ।

দুখত ম্ৰিয়মাণ বৰফুকনে সেই বিষাদ বাতৰি স্বৰ্গদেৱক , দিব বিচাৰিছিল । বৰফুকনৰ তেনে কাৰ্যই স্বৰ্গদেৱৰ চিন্তা আৰু কামৰ খুঁত দেখুৱাই দিয়াৰ শংকা কৰি ৰাজমন্ত্ৰী আতন বুঢ়াগা◌েহাঁই ডাঙৰীয়াই বৰফুকনক সান্ত্বনাৰ বুজনি দি কৈছিল যে বাৰীৰ ভিতৰত সাধাৰণ পুখুৰী এটা সিঁচিলেও আঠ – দহজন মানুহক শিঙিয়ে বিন্ধি আঘাত কৰে ।

গতিকে যুদ্ধ এখনত কিছুসংখ্যক মানুহৰ মৃত্যু হা◌েৱাটো একো অস্বাভাৱিক নহয় । তাকে লৈ আক্ষেপ কৰাও উচিত নহয় আৰু সেই কথা স্বৰ্গদেৱক জনা◌েৱাৰা◌ে প্ৰয়া◌েজন নাই বুলি ঘটনাৰ গুৰুত্ব কমাই বুঢ়াগা◌েহাঁই ডাঙৰীয়াই বৰফুকনক সান্ত্বনা দিছিল ।

**( গ ) 'সেয়ে শৰাইঘাট নাই , কিন্তু শৰাইঘাট আছে ।'**

উত্তৰঃ বুৰঞ্জীবিদ ড ° সূৰ্যকুমাৰ ভূঞাদেৱৰ 'যুগমীয়া শৰাইঘাট'নামৰ পাঠৰ পৰা উক্ত বাক্যটি লা◌েৱা হৈছে ।

লাচিত বৰফুকনৰ দিনৰ শৰাইঘাট আৰু আজিৰ শৰাইঘাটৰ প্ৰসংগত কথাষাৰ উল্লেখ কৰা হৈছে ।

প্ৰবল পৰাক্ৰমী মা◌েগল সেনাপতি ৰামসিংহৰ আক্ৰমণ প্ৰতিৰা◌েধ কৰাৰ বাবে সেনাপতি লাচিত বৰফুকনে শৰাইঘাটত গুৱাহাটী আৰু অসম দেশ , অসমৰ ৰজা আৰু প্ৰজাৰ ৰক্ষাৰ হকে ৰণ কৰিবলগীয়া হৈছিল । বীৰ সেনাপতি লাচিত বৰফুকনৰ সুচিন্তিত , সুশৃংখলিত , সুদক্ষ পৰিচালনাৰ ফলতে শৰাইঘাটৰ ৰণত অসমৰ জয় আৰু মা◌েগলবাহিনীৰ শোচনীয় পৰাজয় ঘটিছিল ।

গভীৰভাৱে বিবেচনা নকৰাকৈ স্বৰ্গদেউ চক্ৰধ্বজ সিংহই ৰণ কৰিবলৈ নিৰ্দেশ দিয়াৰ ফলত আলবৈৰ যুদ্ধত এদিনতে দহ হাজাৰ সৈন্য নিপাত হা◌েৱাত সেনাপতি বৰফুকনে

বৰ বেজাৰ পাইছিল । আলবৈৰ ৰণৰ দৰে নহ'বৰ বাবে শৰাইঘাটৰ ৰণলৈ তিনিবছৰীয়া পূৰ্ব প্ৰস্তুতিৰে আগবাঢ়িছিল ।

সুবিবেচিতভাৱে কাৰ্যপন্থা নিৰূপণ , ক্ষিপ্ৰতাৰে কাৰ্যপন্থা গ্ৰহণ আৰু সম্পাদন শৰাইঘাটৰ ৰণত অসমীয়াৰ প্ৰয়োজন আছিল । উপযুক্ত সামৰিক শক্তিৰে তেতিয়াৰ শৰাইঘাট সুৰক্ষিত কৰাৰ প্ৰয়োজন আছিল । কাৰণ তেতিয়াৰ শৰাইঘাটৰ মূল সমস্যা আছিল সামৰিক ৰক্ষণাবেক্ষণ ।

সেই সময়ৰ শৰাইঘাট আজিৰ সময়ত নাই যদিও এখন শৰাইঘাট আজিও আছে যাৰ সমস্যা সামৰিক নহয়— বৰং সামাজিক , অৰ্থনৈতিক , ৰাজনৈতিক , ঐতিহাসিক আৰু শৈক্ষিক । এই সমস্যাবোৰৰ সুসমাধানে এতিয়াৰ শৰাইঘাট , এতিয়াৰ ৰাইজ , এতিয়াৰ দেশ ৰক্ষা কৰিব পাৰিব । সেই কাৰণেই অৰ্থপূৰ্ণভাৱে কোৱা হৈছে 'শৰাইঘাট নাই , কিন্তু শৰাইঘাট আছে ।'

## ( ঘ ) 'আফুগুটি পঠিয়াইছা , পটাত পিহিলে পানী হ'ব ।'

উত্তৰঃ উক্ত বাক্যটি বুৰঞ্জীবিদ ড ° সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াৰ 'যুগমীয়া শৰাইঘাট' নামৰ  পাঠটিৰ পৰা লোৱা হৈছে ।

অগণন সৈন্য – সামন্ত লগত লৈ অসম আক্ৰমণ কৰিবৰ বাবে মোগল বাদছাহ ঔৰংজেৱৰ সেনাপতি ৰামসিংহই অসমৰ বীৰ সেনাপতি লাচিত বৰফুকনলৈ আফুগুটিৰ টোপোলা , পঠিয়াই নিজৰ সৈন্য – সামন্তৰ সংখ্যাৰ সম্ভেদ দি লাচিতক ভয় দেখুৱাব খোজাৰ উত্তৰত লাচিতে উক্ত কথাষাৰ কৈছিল ।

মিৰজুমলাই গুৱাহাটী অধিকাৰ কৰি উভতি যোৱাৰ পিছত অসমে পুনৰ গুৱাহাটী উদ্ধাৰ কৰিছিল । মোগল বাদছাহ ঔৰংজেৱে এই বাতৰি পাই অম্বৰৰ ৰজা ৰামসিংহক মোগলবাহিনীৰ সেনাপতি পাতি লগত অসংখ্য সৈন্য – সামন্ত দি অসম আক্ৰমণ কৰিবলৈ পঠাইছিল ।

নিশ্চিত বিজয়ৰ আশা বুকুত বান্ধি ৰামসিংহ সগৌৰৱে শৰাইঘাটত উপস্থিত হৈ নিজৰ সৈন্যবাহিনীৰ সংখ্যা আৰু শক্তিৰে বৰফুকনক ভয় খুৱাবৰ বাবে কটকীৰ হাতত আফুগুটিৰ টোপোলা পঠাইছিল । ৰামসিংহই হয়তো ভাবিছিল মোগলৰ বিশাল বাহিনীৰ সম্ভেদ পালে ভয়ত লাচিতে বিনা যুদ্ধে গুৱাহাটী এৰি দিব ।

ৰামসিংহৰ সেই দম্ভালিৰ সমুচিত উত্তৰ দি লাচিতে কটকীৰ হাতত এচুঙা বালি পঠাই কৈ পঠাইছিল যে আফুগুটি পটাত পিহিলে পানী হৈ যাব , কিন্তু বালিৰ কোনা◌ে পৰিৱৰ্তন বা বঢ়া – টুটা নহ'ব ।

বীৰ সৈনাপতি লাচিত বৰফুকনৰ সুচিন্তিত , সুসংগঠিত , দৃঢ় শৃংখলিত আৰু সুপৰিচালিত শৰাইঘাটৰ ৰণত আফুগুটিৰ দৰে অগণন মা◌েগল সৈন্যবাহিনীক বাৰুকৈ পৰাস্ত কৰি মা◌েগলক বীৰত্বৰ পৰিচয় দিছিল আৰু নিজে কোৱা কথাৰ মৰ্যাদা কাললৈ ৰক্ষা কৰিছিল । পৰাজিত ৰামসিংহ উভতি যা◌েৱাৰ সময়ত এজন মাত্ৰ মানুহে নিখুতভাৱে সমগ্ৰ সৈন্যবাহিনী পৰিচালনা কৰা দক্ষতাৰ প্ৰশংসা কৰি গৈছিল ।

**( ঙ ) 'এই সমস্যাবা◌েৰ ভালৰূপে সমাধান নহ'লে অসমৰ অস্তিত্বলৈ টনাটনি হ'ব ।'**

উত্তৰঃ উক্ত বাক্যটি বুৰঞ্জীবিদ ড ° সূৰ্যকুমাৰ ভূঞা ৰচিত 'যুগমীয়া শৰাইঘাট' নামৰ পাঠটিৰ পৰা লা◌েৱা হৈছে ।

তাহানিৰ বীৰ সেনাপতি লাচিত বৰফুকনৰ দিনৰ শৰাইঘাটৰ সৈতে জড়িত দেশ , ৰাইজ বা ৰজাক ৰক্ষা কৰাৰ সমস্যা আৰু এতিয়াৰ শৰাইঘাটৰ সৈতে জড়িত দেশ ৰক্ষা কৰাৰ সমস্যা একে নহয় । এই সন্দৰ্ভত কথাষাৰ কোৱা হৈছে ।

হওঁতে বীৰ সেনাপতি লাচিত বৰফুকনৰ দিনৰ শৰাইঘাট আজি নাই । কিন্তু তথাপি শৰাইঘাট থকা বুলি প্ৰবন্ধকাৰে উল্লেখ কৰিছে । এই কথাষাৰ তাৎপৰ্যপূৰ্ণভাৱে কোৱা হৈছে । তেতিয়াৰ শৰাইঘাট দেশ ৰক্ষাৰ দুৱাৰ বা ঘাটি আছিল । অসম দেশ আক্ৰমণকাৰীসকলক প্ৰতিহত কৰা সামৰিক সমস্যাই আছিল তেতিয়াৰ শৰাইঘাট তথা অসম দেশৰ সমস্যা ।

তেতিয়াৰ শৰাইঘাট আৰু অসম দেশ ৰক্ষা কৰাৰ বাবে প্ৰয়া◌েজন আছিল সামৰিক দক্ষতা আৰু লাচিত বৰফুকনে জান – প্ৰাণ দি তাৰেই চেষ্টা কৰিছিল । তেতিয়াৰ শৰাইঘাট বৰ্তমান নাথাকিলেও শৰাইঘাট প্ৰমুখ্যে অসম দেশৰ সমস্যা সমাধানৰ ৰণখন আজিও আছে । আধুনিক শৰাইঘাট অথবা অসমৰ সমস্যা সমাধানৰ ৰণ তেতিয়াৰ শৰাইঘাটৰ ৰণৰ দৰেই গুৰুত্বপূৰ্ণ ।

পাৰ্থক্য ইমানেই যে তেতিয়াৰ দেশৰক্ষাৰ মূল আছিল সামৰিক সমাধান । কিন্তু এতিয়াৰ সমস্যা হৈছে ৰাজনৈতিক , সামাজিক , অৰ্থনৈতিক , ঐতিহাসিক , শৈক্ষিক , সাংস্কৃতিক আদি বিবিধ ।

সুচিন্তিত , সুবিবেচিতভাৱে সঠিক কাৰ্যব্যৱস্থা নিৰূপণ আৰু তাৰ ক্ষিপ্ৰ সমাধানে শৰাইঘাটৰ যুদ্ধত বিজয়ী কৰাৰ দৰেই আজিও তেতিয়াৰ সেনাপতি বৰফুকনস্বৰূপ দেশীয় চৰকাৰে সুচিন্তিতভাৱে আৰু ক্ষিপ্ৰতাৰে দেশৰ সমস্যাবোৰ সমাধান কৰিব নোৱাৰিলে দেশৰ অস্তিত্ব সংকটাপন্ন হ'ব বুলি কোৱা হৈছে । সমস্যা সমাধানৰ ৰণখনৰ বাবেই শৰাইঘাট আজিও আছে বুলি প্ৰবন্ধকাৰে কৈছে ।

**প্ৰশ্ন ৭ তলত দিয়া শব্দবোৰৰ বৰ্ণ বিন্যাস কৰা আৰু কাৰণ দশোৱা ।**

**( ক ) কিয় মূৰ্ধন্য ণ হৈছে ?**

**( খ ) কিয় মূৰ্ধন্য ণ নহয় ?**

**পৰিণাম , পৰিধান , পৰিমাণ , প্ৰণাম , প্ৰাৰ্থনা , বিশেষণ , কৃপণ , নিৰ্ণয় , পাষাণ , শ্ৰৱণ তৰাণি , নৰানি , ফেৰেঙনি , ৰামায়ণ ।**

উত্তৰঃ ঋ , ৰ আৰু ষ – ৰ পাছত থকা দন্তন্য ন বোৰ মূৰ্ধন্য – ণ হয় । আনহাতে ঋ , ৰ , ষ আৰু ন-ৰ মাজত কোনো স্বৰবৰ্ণ বা ক আৰু প – বৰ্গৰ কোনো বৰ্ণ বা য , ৱ , হ বা অনুস্বাৰ থাকিলেও ন মূৰ্ধন্য হয় ।

এই ণত্ববিদিৰ নিয়ম অনুসাৰেই পৰিণাম , পৰিমাণ , প্ৰণাম , বিশেষণ , কৃপণ , নিৰ্ণয় , পাষাণ , শ্ৰৱণ , ৰামায়ণ আদি শব্দৰ ন – বোৰ মূৰ্ধন্য ণ হৈছে ।

ওপৰোক্ত নিয়ম কেৱল সংস্কৃত মূলীয় শব্দতহে খাটে আৰু ওপৰত উল্লেখিত শব্দবোৰ সংস্কৃতমূলীয় শব্দ কাৰণেই সেই নিয়মত পূৰ হৈছে । কিন্তু অসমীয়া শব্দত এই নিয়ম নাখাটে কাৰণেই পৰিধান , তৰানি , নাৰানি , আৰু ফেৰেঙনি এই শব্দকেইটাৰ মূৰ্ধন্য ণ নহ'ল ।

**প্ৰশ্ন ৯। তলৰ শব্দবোৰৰ সন্ধি ভাঙি কি সন্ধি নাম লিখা ।**

উত্তৰঃ পৰীক্ষা = পৰি + ঈক্ষা – স্বৰ সন্ধি ।

দৈনিক = দিন + ইক – ব্যঞ্জন সন্ধি।

নৰেন্দ্ৰ = নৰ + ইন্দ্ৰ – স্বৰ সন্ধি ।

উল্লেখ = উৎ + লেখ – ব্যঞ্জন সন্ধি।

সংযম = সম্ + যম – ব্যঞ্জন সন্ধি।

মহাৰ্ঘ = মহা + অৰ্ঘ – স্বৰ সন্ধি ।

উজ্জ্বল = উৎ + জ্বল – ব্যঞ্জন সন্ধি।

মুনিন্দ্ৰ = মুনি + ইন্দ্ৰ – স্বৰ সন্ধি ।

ইত্যাদি = ইতি + আদি – স্বৰ সন্ধি ।

প্ৰত্যেক = প্ৰতি + এক – স্বৰ সন্ধি ।

মহাত্মা = মহা + আত্মা – স্বৰ সন্ধি ।

নিশ্চয় = নিঃ + চয় – বিসৰ্গ সন্ধি ।

সঞ্চয় = সম + চয় –ব্যঞ্জন সন্ধি

নয়ন = নাে + অন – স্বৰ সন্ধি ।

উদ্ধাৰ = উৎ + ধাৰ – ব্যঞ্জন সন্ধি ।

সম্ৰাট = সম + ৰাট – ব্যঞ্জন সন্ধি ।

উন্নতি = উৎ + নতি – ব্যঞ্জন সন্ধি ।

দুৰ্নীতি = দু:+নীতি – বিসৰ্গ সন্ধি ।

দেৱালয় = দেৱ + আলয় – স্বৰ সন্ধি ।

হিমালয় = হিম + আলয় – স্বৰ সন্ধি ।

বিদ্যালয় = বিদ্যা + আলয় – স্বৰ সন্ধি ।

ষড়ানন = ষড় + আনন – স্বৰ সন্ধি ।

সতীশ = সত্ + ঈশ  – ব্যঞ্জন সন্ধি ।

দুচিন্তা = দুঃ + চিন্তা – বিসৰ্গ সন্ধি ।

শিৰচ্ছেদ = শিৰঃ + ছেদ – বিসৰ্গ সন্ধি ।

জগন্নাথ  = জগৎ + নাথ – ব্যঞ্জন সন্ধি ।

উচ্ছৃংখল = উৎ + শৃংখল – ব্যঞ্জন সন্ধি ।

আশাতীত = আশা + অতীত – স্বৰ সন্ধি ।

যথা◌েচিত = যথা+উচিত – স্বৰ সন্ধি ।

ৰামায়ণ = ৰাম+অয়ন – স্বৰ সন্ধি ।

**প্ৰশ্ন ৯। বিশেষ্যৰ পৰা বিশেষণ ৰূপ ।**

উত্তৰঃ

| বিশেষ্য | বিশেষণ |
|---|---|
| যুগ | যুগমীয়া |
| অসম | অসমীয়া |
| ইতিহাস | ঐতিহাসিক |
| সমৰ | সামৰিক |
| মাতাল | মতলীয়া |
| যা◌েগান | যা◌েগনীয়া |
| অৰ্থনীতি | অৰ্থনৈতিক |
| ৰাজনীতি | ৰাজনৈতিক |

| | |
|---|---|
| শৰাইঘাট | শৰাইঘটীয়া |
| সমাজ | সামাজিক |
| গাঁও | গাঁৱলীয়া |
| ঘৰ | ঘৰুৱা |
| নগৰ | নগৰীয়া |
| ৰণ | ৰনুৱা |
| চহৰ | চহৰীয়া |
| বন | বনৰীয়া |
| পাহাৰ | পাহৰুৱা |
| খক | খকুৱা |
| মিছা | মিছলীয়া |

**বিশ্লেষণৰ পৰা বিশেষ্য ৰূপ**

| উত্তৰঃ | বিশেষণ | বিশেষ্য |
|---|---|---|
| | সৰল | সৰলতা |
| | দুষ্ট | দুষ্টালি |
| | নম্ৰ | নম্ৰতা |
| | টেঙৰ | টেঙৰালি |
| | ভদ্ৰ | ভদ্ৰামি |

| | |
|---|---|
| ধূৰ্ত | ধূৰ্তালি |
| সত্য | সত্যতা |
| ধিতিঙা | ধিতিঙালি |
| মিত্ৰ | মিতা |
| ভাল | ভালৰি |

**প্ৰশ্ন ১০। তলত উল্লেখ কৰা সমস্যাবাজি ‘ যুগমীয়া শৰাইঘাট ‘ পাঠটোৰ সহায়ত চমুকৈ লিখা ।**

**( ক ) ৰাজনৈতিক**

**( খ ) সামাজিক**

**( গ ) অৰ্থনৈতিক**

**( ঘ ) ঐতিহাসিক**

**( ঙ ) প্ৰাকৃতিক**

উত্তৰঃ

**( ক ) ৰাজনৈতিক সমস্যা** :-

দেশ এখনক শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰি ৰজা – প্ৰজা সকলাে‌কে সুৰক্ষা দান কৰা , দেশৰ বাবে সুচিন্তিত , সুপৰিকল্পিত সামৰিক ব্যৱস্থা কৰা , সৈন্য – সামন্তৰ ব্যৱস্থা কৰা , সামাজিক অস্ত্ৰ-শস্ত্ৰ , আহিলা – পাতিৰ ব্যৱস্থা কৰা , সৈন্য বাহিনীৰ ৰচদ – পাতিৰ যাে‌গানৰ ব্যৱস্থা , দেশৰ ৰজা , ৰাজমন্ত্ৰী , ডা – ডাঙৰীয়াসকলৰ সদ্ভাৱ সম্প্ৰীতি ৰক্ষা কৰা , দেশৰ কল্যাণৰ হকে একেমুখে নিঃস্বাৰ্থভাৱে সকলাে‌ৱে সেৱা কৰা আদিয়েই ৰাজনৈতিক সমস্যা । এই সমস্যা ৰাজিৰ সু – সমাধানেহে এখন দেশক সুস্থ – সবল কৰি ৰাখিব পাৰে ।

**(খ ) সামাজিক সমস্যা** :-

সমাজত দুই শ্ৰেণীৰ মানুহ বাস কৰে , — এক শ্ৰেণী সুপ্ৰবৃত্তিৰ আৰু আন শ্ৰেণী কুপ্ৰবৃত্তিৰ । কু – প্ৰবৃত্তিৰ মানুহে সমাজ তথা দেশৰ প্ৰগতিত , শান্তি – শৃংখলাত , ঐক্য সংহতি সদায় বাধাৰ সৃষ্টি কৰি থাকে । গোষ্ঠী সংঘৰ্ষ , ধৰ্মীয় আৰু সাম্প্ৰদায়িক বিভেদতা আদিত এইসকল লোকে এচাম লোকক উচটাই সমাজ তথা দেশত অশান্তি আৰু অস্থিৰতাৰ সৃষ্টি কৰে ।

এই শ্ৰেণীৰ মানুহক দমন কৰি শান্তি – সম্প্ৰীতিৰ বাতাবৰণ সৃষ্টি কৰা , শিক্ষা – দীক্ষাৰ ব্যৱস্থা কৰা , সমাজৰ সকলো শ্ৰেণীৰ লগতে দীন – হীন জনৰ প্ৰতি বিশেষ মনোযোগ দিয়া , মাৰি-মৰক আদি প্ৰতিৰোধ কৰা আদি সমাজ কল্যাণ সাধন কৰাৰ অৰ্থে যত্নৰ অতি প্ৰয়োজন । সামাজিক সমস্যা দূৰীকৰণ নহ’লে সমাজ তথা দেশৰ উন্নতি সম্ভৱ নহয় ।

**( গ ) অৰ্থনৈতিক সমস্যা** :-

অৰ্থনৈতিক সমস্যাই দেশ এখনক বাৰুকৈয়ে জুৰুলা কৰে । ওচৰ – চুবুৰীয়া ৰাজ্য , তথা অন্যান্য দেশৰ লগত চলাচলৰ সু-ব্যৱস্থা , বেপাৰ বাণিজ্য আদিৰ দিহা কৰা , বিভিন্ন ঠাইৰ পৰা অনুদান লাভ কৰা আদিয়েই অৰ্থনৈতিক সমস্যা ।

সকলো প্ৰকাৰৰ উন্নয়নমূলক কামতে অৰ্থৰ প্ৰয়োজন । ইয়াৰ অভাৱত উন্নয়নৰ কামত দাৰুণ বাধা আহি পৰে । সেই কাৰণেই অৰ্থনৈতিক গাঁথনি টনকিয়ালৰ চেষ্টা ৰাজ্য বা দেশ এখনৰ নিতান্তই প্ৰয়োজন ।

**( ঘ ) ঐতিহাসিক সমস্যা** :-

গভীৰ দেশপ্ৰেম , দেশ ৰক্ষাৰ চিন্তা , জাতীয়তাবোধ , ৰজা ৰাজমন্ত্ৰী , ডা – ডাঙৰীয়াসকলৰ সদ্ভাৱ সম্প্ৰীতি , স্বাধীনতা প্ৰেম , সৰু – ডাঙৰৰ মাজৰ মৰম শ্ৰদ্ধা , দেশবাসী প্ৰজাৰ ৰীতি – নীতি , আচাৰ – ব্যৱহাৰ , উৎসৱ – পাৰ্বণ উদযাপন আদি দেশৰ ঐতিহাসিক সমস্যা । এইবোৰৰ সন্মানসূচক আদান – প্ৰদান তথা ব্যৱহাৰেই ঐতিহাসিক সমস্যাবোৰৰ সমাধান নিশ্চিত কৰে ।

**( ঙ ) প্ৰাকৃতিক সমস্যা** :-

অতিবৃষ্টি , অনাবৃষ্টি , বানপানী , ধুমুহা , ভূমিকম্প , শস্য নষ্টকাৰী পোক – পৰুৱাৰ উৎপাত , খহনীয়া , ভূমিস্খলন , আগ্নেয়গিৰি , শিলাপাত , ছুনামি , শীত আৰু উষ্ণতাৰ তীব্ৰতা আদিয়েই প্ৰাকৃতিক সমস্যা ।

এইবোৰ সমস্যা সমাধানৰ বাবে ৰজা – প্ৰজা সকলোৰে একগোট হৈ যুঁজ দিলেহে কিছু পৰিমাণে সফলতা লাভ কৰিব পৰা যায় । বেছিভাগ এনে সমস্যা সমাধানৰ বাবে বৈজ্ঞানিক আৰু কাৰিকৰী দৃষ্টিভংগীৰে চেষ্টা কৰিবলৈ লোৱা হৈছে কিন্তু পূৰামাত্ৰাই সফল হোৱা বুলি ক’ব নোৱাৰি ।